অসম

উচ্চতম ন্যায়ালয়ত আজি কিয় জামিন নাপালে শ্যামকানু আৰু সিদ্ধার্থই ? ক'লে মহাধিবক্তা দেৱজিৎ লন শইকীয়াই

জুবিন গার্গৰ মৃত্যুৰ গোচৰত শ্যামকানু মহন্ত আৰু সিদ্ধার্থ সন্দীপনৰ জামিন আবেদনৰ শুনানি ৩০ নৱেম্বৰলৈ স্থগিত। অমৃতপ্রভা মহন্ত আৰু সন্দীপন গার্গৰ জামিনৰ বিৰুদ্ধে অসম চৰকাৰৰ আবেদনো একেদিনাই শুনা হ'ব। মহাধিবক্তা দেৱজিৎ লন শইকীয়াৰ মতে, ১৪৩গৰাকী সাক্ষীৰ সাক্ষ্যগ্রহণ সম্পূর্ণ হৈছে আৰু অহা ৩-৪ মাহত বিচাৰ প্রক্রিয়া শেষ হ'ব পাৰে।

প্রকাশ: ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০২



NewzNow

গুৱাহাটী, ৬ নৱেম্বৰঃ জুবিন গার্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধার্থ সন্দীপনৰ জামিন আবেদনৰ শুনানি আজি উচ্চতম ন্যায়ালয়ত অনুষ্ঠিত হয়। অৱশ্যে দুয়োৰে জামিন আবেদনৰ শুনানি ৩০ নৱেম্বৰলৈ স্থগিত ৰখা হয়। একেদিনাই অমৃতপ্রভা মহন্ত আৰু সন্দীপন গার্গৰ জামিনৰ বিৰুদ্ধে অসম চৰকাৰে দাখিল কৰা বিশেষ অনুমতি আবেদনকেইখনৰো শুনানি গ্রহণ কৰা হ'ব।

মহাধিবক্তা দেৱজিৎ লন শইকীয়াই সংবাদ মাধ্যমৰ আগত এই কথা প্রকাশ কৰে। তেওঁৰ মতে, এই গোচৰত ইতিমধ্যে ৩-৪ বাৰ শুনানি হৈছে। আজি শুনানিৰ সময়ত অসম চৰকাৰৰ পক্ষই আদালতক জনায় যে এতিয়ালৈকে প্রায় ১৪৩গৰাকী সাক্ষীৰ সাক্ষ্যগ্রহণ সম্পূর্ণ হৈছে। বাকী সাক্ষীসকলৰ ভিতৰত চৰকাৰী সাক্ষীও আছে।

© 2026 NewzNow

আনহাতে, অভিযুক্ত পক্ষই গুৱাহাটী উচ্চ ন্যায়ালয়ে অমৃতপ্রভা মহন্ত আৰু সন্দীপন গার্গক জামিন প্রদান কৰাৰ কথা উচ্চতম ন্যায়ালয়ত উল্লেখ কৰে। ইয়াৰ প্রত্যুত্তৰত অসম চৰকাৰে জনায় যে সেই জামিনৰ নির্দেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত বিশেষ অনুমতি আবেদন দাখিল কৰা হৈছে। সেই আবেদনসমূহৰ শুনানি ১৬ নৱেম্বৰত নির্ধাৰণ কৰা আছিল বুলি চৰকাৰী পক্ষই আদালতক অৱগত কৰে। ইয়াৰ পিছতে চাৰিখন আবেদন একেলগে ৩০ নৱেম্বৰত শুনানি গ্রহণৰ দিন ধার্য কৰা হয়।

দেৱজিৎ লন শইকীয়াই লগতে কয় যে গোচৰটোৰ মুঠ ৩৯৪গৰাকী সাক্ষী আছে। কিন্তু সকলোকে আদালতলৈ মাতি পঠিওৱাৰ পৰিৱর্তে গোচৰ প্রমাণৰ বাবে প্রয়োজনীয় গুৰুত্বপূর্ণ সাক্ষীসকলৰ সাক্ষ্যগ্রহণত গুৰুত্ব দিয়া হৈছে। চৰকাৰী পক্ষই প্রায় ২৩০ৰ পৰা ২৪০গৰাকী সাক্ষীৰ ভিতৰত সাক্ষ্যগ্রহণ সীমিত ৰখাৰ পৰিকল্পনা কৰিছে।

তেওঁৰ মতে, ৮ জুনৰ পৰা গোচৰটোৰ সাক্ষ্যগ্রহণ আৰম্ভ হৈছে আৰু বিগত ৪-৫ মাহ ধৰি দৈনিক শুনানি চলি আছে। চৰকাৰী পক্ষই কোনো পর্যায়তে শুনানি পিছুৱাই দিবলৈ আবেদন কৰা নাই বুলিও তেওঁ দাবী কৰে।

মহাধিবক্তাগৰাকীয়ে কয় যে গোচৰটো এইদৰে চলি থাকিলে অহা ৩-৪ মাহৰ ভিতৰত বিচাৰ প্রক্রিয়া সম্পূর্ণ হ’ব পাৰে। জুবিন গার্গে ন্যায় পোৱাৰ বাবে অসম চৰকাৰে প্রয়োজনীয় সকলো পদক্ষেপ গ্রহণ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধার্থ সন্দীপনে এতিয়ালৈকে জামিন লাভ কৰা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/924/zubeen-garg-case-supreme-court-bail-hearing-november-30